# বক্ৰোক্তি আৰু অতিশয়োক্তি

## বক্ৰোক্তি ঃ

অলঙ্কাৰ মাত্ৰতে বক্ৰোক্তি আৰু অতিশয়োক্তি বা অত্যুক্তিৰ অস্বিত্ব থকা বুলি অলঙ্কাৰিকসকলে প্ৰত্যক্ষ বা পৰোক্ষভাবে স্বীকাৰ কৰি আহিছে। বক্ৰোক্তি কোৱাৰ পাঁক বা কোৱাৰ বিচিত্ৰ ভঙ্গী। বক্তাই মনৰ ভাৱ পোনপটীয়াকৈ সহজ-সৰলভাৱে প্ৰকাশ নকৰি আওপকীয়াকৈ পাক লগাই ক'লে সাধাৰণ অৰ্থত তাকেই বক্ৰোক্তি বোলে। মনকৰিবলগীয়া যে বক্তাই পাকলগাই ক'লেই বক্ৰোক্তি নহয় তাত থাকিব লাগিব 'মনোহাৰিত্ব' আৰু 'চমৎকাৰিত্ব'। গতিকে যি উক্তি বৈচিত্ৰ্যই শ্ৰোতাৰ অন্তৰত মনোহাৰিত্ব আৰু চমৎকাৰিত্ব জগাই তোলে সিয়ে বক্ৰোক্তি। উদাহৰণস্বৰূপে— প্ৰেমিকাৰ আগমনত উৎফুল্লিত প্ৰেমিকক যদি প্ৰেমিকাই প্ৰশ্ন কৰে— আজি তোমাৰ মনত কিয় ইমান আনন্দ? এই প্ৰশ্নৰ উত্তৰত যদি প্ৰেমিকে কয় 'পূৰ্ণিমাৰ জোনটোৱে বাৰু কাক আনন্দ নিদিয়ে?' তেতিয়া এনে উক্তিবৈচিত্ৰ্যই হ'ব বক্ৰোক্তি। কাৰণ ইয়াত প্ৰেমিকে পোনপটীয়াকৈ সহজ-সৰলভাবে প্ৰেমিকাৰ ৰূপৰ বৰ্ণনা নকৰি পূৰ্ণিমাৰ জোনৰ কথা কৈছে কিন্তু সৌন্দৰ্য, মনোহাৰিত্ব, স্নিগ্ধতা, কমনীয়তা, শীতলতা আদি সকলো দিশতে প্ৰেমিকা পূৰ্ণিমাৰ জোন স্বৰূপা তাকে আওঁপকীয়াকৈ প্ৰকাশ কৰিছে।

তেনেদৰে, কোনো ৰাজকুমাৰীয়ে হেনো কালিদাসক প্ৰশ্ন কৰিছিল যে তেওঁ হেনো এটি পদুমৰ ওপৰত এটি পদুম ফুলা কথা শুনিছেহে দেখা নাই— 'কমলে কমলোৎপত্তিঃ শ্ৰুতয়তে নতু দৃশ্যতে।' ৰাজকুমাৰীৰ এনে প্ৰশ্নৰ উত্তৰত কালিদাসে হেনো কৈছিল— 'বোলে তৱ মুখাম্ভোজে কথমন্দীৱেদ্বয়ম্।' অৰ্থাৎ তোমাৰ মুখ পদ্মতেই দেখোন দুটা নীলপদ্ম (চকুযুৰি) ফুলি আছে। ইয়াত ৰাজকুমাৰীৰ প্ৰশ্নৰ সমিধান দিয়াৰ লগতে ৰাজকুমাৰীৰ অপৰূপ ৰূপ-লাৱণ্য আওপকীয়াকৈ অতি মনোৰমৰূপে ফুটি উঠিছে। এনে কথন ভঙ্গীৰ বৈচিত্ৰ্যই বক্ৰোক্তি।

আকৌ,

"কেনৈ ফুলিলি ৰূপহী মদাৰ ঐ
কেনৈ পেলালি কলি
গুৰুতো নালাগে ভকতত নালাগে
থাক তলে ভৰি সৰি।।"

ইয়াত ৰমক-জমককৈ ফুলি আপোন সৌন্দৰ্য উজাৰি দিয়া গুৰু-ভকতৰ সেৱাত নলগা মদাৰ ফুলৰ কথা কৈছে। কিন্তু মদাৰ ফুল কবিৰ উপলক্ষহে, কবিৰ লক্ষ্য ৰূপ-যৌৱনেৰে পূৰ্ণা পিতৃ গৃহত অনুপভুক্তা হৈ থকা ৰূপহী গাভৰুহে। কবিয়ে পোনে পোনে এগৰাকী গাভৰুৰ কথা নকৈ মদাৰ ফুলৰ লগত গাভৰুৰ তুলনা কৰি বক্তব্য বিষয়ক অধিক ৰমণীয় কৰি তুলিছে। এনে উক্তি বৈচিত্ৰ্যই বক্ৰোক্তি।

খ্ৰীষ্টীয় ৬ষ্ঠ শতিকাৰ অলঙ্কাৰিক ভামহৰ দৃষ্টিতে স্পষ্ট হৈ উঠা বক্ৰোক্তিয়ে পৰৱৰ্তী সময়ত দণ্ডী, বামন আদিৰ ধাৰণাৰ মাজেদি আগবাঢ়ি আহি খ্ৰীষ্টীয় ১১শ শতিকাৰ প্ৰসিদ্ধ অলঙ্কাৰিক ৰাজনক কুন্তকৰ হাতত সুপ্ৰতিষ্ঠিত হয়। ভামহৰ দৃষ্টিত ভাৱ প্ৰকাশৰ বিচিত্ৰ আৰু মনোৰম ভঙ্গীয়ে বক্ৰোক্তি। ই কাব্যৰ এটা আৱশ্যকীয় ধৰ্ম, কাব্যৰ কাব্যত্ব নিৰ্ভৰ কৰে বক্ৰোক্তিৰ ওপৰত। ভামহে কৈছে, "বক্ৰাভিধেয়শব্দোক্তিৰিষ্টা বাচামলঙ্কৃতি"। অৰ্থাৎ শব্দ আৰু অভিধেয় অৰ্থৰ বক্ৰভাবে উপস্থাপনেই কাব্যৰ অলঙ্কাৰ। অভিনৱগুপ্তপাদে 'ধন্যালোক-লোচন'ত স্পষ্টভাবে কৈছে যে— শব্দ আৰু অৰ্থক অলৌকিক ৰূপে প্ৰকাশ কৰাটোৱে তাৰ বক্ৰতা আৰু বক্ৰতাই অলঙ্কাৰৰ সাধাৰণ স্বৰূপ। ভামহৰ মতে, বক্ৰোক্তি বিহীন বচন বাৰ্ত্তাবাহক বাক্য মাত্ৰ। বক্ৰোক্তি সকলো অলঙ্কাৰৰে মূল আৰু ই অতিশয়োক্তিৰ লগত একে। সূৰ্য অস্ত গ'ল, চৰাইবোৰ আকাশত উৰিছে, বিলত পদুম ফুলিল আদি বাক্য কাব্যিক ৰচনা নহয়, কাৰণ এনে বাক্যত কথন ভঙ্গীৰ কোনো বৈচিত্ৰ্য নাই আৰু কোনো মনোহাৰিত্ব নাই। ইয়াৰ মাজেৰে মনোৰম অৰ্থও প্ৰকাশ পোৱা নাই। সেয়ে এইবোৰ মাত্ৰ বাৰ্তাবাহক বাক্যহে।

বক্ৰোক্তি সম্বন্ধে ভামহৰ পৰৱৰ্তী অলঙ্কাৰিক দণ্ডীৰ ধাৰণা ভামহৰ লগত প্ৰায় একে। অৱশ্যে দণ্ডীৰ দৃষ্টিত বক্ৰোক্তিৰ পৰিসৰ অলপ ঠেক। ভামহৰ দৃষ্টিত বক্ৰোক্তি বা অতিশয়োক্তি নাথাকিলে ৰচনা বিশেষ অলঙ্কাৰ বা কাব্যৰূপ লোৱাৰ সম্ভাৱনা নাই। সেয়ে স্বভাবোক্তিত অতিশয়োক্তি নাই বাবে ভামহে ইয়াক

অলঙ্কাৰৰ শাৰীত ধৰা নাই। দণ্ডীয়ে কিন্তু অতিশয়োক্তি নোহোৱা স্বত্বেও স্বভাবোক্তিক অলঙ্কাৰৰ শাৰীত ধৰিছে। দণ্ডীয়ে স্বভাবোক্তিক কাব্যৰ আদ্য অলঙ্কাৰ বুলিছে। গতিকে দণ্ডীৰ মতে, বক্রোক্তিৰ বাহিৰেও 'স্বভাবোক্তি' অলঙ্কাৰ কাব্য হ'ব পাৰে। দণ্ডীয়ে 'কাব্যাদর্শ'ত স্পষ্টভাবে কৈছে— "ভিন্ন দ্বিধা স্বভাবোক্তি বক্রোক্তিশ্চেতি বাঙময়" — বাঙময়, অর্থাৎ কাব্য দুই ভাগত বিভক্ত, স্বভাবোক্তি আৰু বক্রোক্তি।

অলঙ্কাৰিক বামন আৰু ৰুদ্ৰটে বক্রোক্তিৰ পৰিসৰ সংকীর্ণ কৰিছে আৰু বক্রোক্তিক সমস্ত অর্থালঙ্কাৰৰ সামান্যৰূপ বুলি নধৰি এটি বেলেগ অলঙ্কাৰ বুলিহে স্বীকাৰ কৰিছে। মম্মটভট্ট, বিশ্বনাথ আদি পৰৱর্তী অলঙ্গাৰিকসকলেও ৰুদ্ৰটৰ মতকে সমর্থন কৰি বক্রোক্তিক এবিধ শব্দালংকাৰ বুলিয়ে ধৰিছে। অৱশ্যে আনন্দবৰ্দ্ধন আদিয়েও অতিশয়োক্তিৰূপ বক্রোক্তিয়ে সমস্ত অর্থালঙ্কাৰৰ অৱলম্বন এই কথা স্বীকাৰ কৰিছে।

ভামহৰ পৰা বহুকাল ধৰি কাব্যৰ আৱশ্যকীয় ধর্মৰূপে চলি অহা বক্রোক্তিক ১১শ শতিকাৰ প্ৰসিদ্ধ কাশ্মিৰী পণ্ডিত ৰাজনক কুন্তকে সুকীয়া মতবাদৰূপে সুপ্রতিষ্ঠিত কৰে। কুন্তকে তেওঁৰ অমৰ গ্রন্থ 'বক্রোক্তিজীৱিত'ত ভামহৰ দৃষ্টিভঙ্গীক পৰিষ্কাৰ কৰি বক্রোক্তিক এনে এক সুউচ্চ স্থান দিলে যে ইয়ে কাব্যসাহিত্যত এক মতবাদৰূপে গঢ়লৈ উঠিল। কুন্তকৰ মতে "বক্রোক্তিঃ কাব্যজীৱিতম্" —বক্রোক্তিয়ে কাব্যৰ প্ৰাণ বা আত্মা। কুন্তকে কাব্য বিচাৰ প্ৰসঙ্গত ৰস বা ধ্বনি কোনোটোৰে আলোচনা কৰা নাই। তেওঁৰ মতে, ৰচনাৰ মাজত বক্রতা নাথাকিলে অলঙ্কাৰ অলঙ্কাৰ নহয়, ৰসো ৰস হৈ নুঠে। আনকি ধ্বনিও তেওঁৰ মতে বক্রতাৰেই প্রকাৰভেদ মাত্র। কুন্তকৰ মতে, "বক্রোক্তিৰেৱ বৈদগ্ধ্য-ভঙ্গী অনিতিৰুচ্যতে"। অর্থাৎ বক্রোক্তি হৈছে বৈদগ্ধ্য ভঙ্গী ভণিতি বা উক্তি। 'বৈদগ্ধ্য-ভঙ্গী ভণিতি' বোলোতে বৈদগ্ধ্য শব্দই বিদগ্ধ ভাব বা কবি কর্ম-কৌশল আৰু ভঙ্গী ভণিতিয়ে— বৈচিত্র্য, চাৰুত্ব, মনোহাৰিত্ব, চমৎকাৰিত্ব আদি ভাব প্ৰকাশ কৰিছে। কুন্তকে কবি কর্ম-কৌশলৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। কুন্তকে ভামহৰ "শব্দাৰ্থৌ সহিতৌ কাব্যম" সূত্ৰৰ পৰা বিশেষ আঁতৰি নগৈ শব্দ আৰু অর্থৰ ওপৰত সমানে গুৰুত্ব প্রদান কৰি কৈছে যে শব্দাৰ্থৰ আনন্দ দান শক্তি নির্ভৰ কৰে কবিৰ কৰ্ম-কৌশলৰ ওপৰত। কবিৰ প্ৰতিভাজনিত কর্ম-কৌশলৰ যোগেৰে বিশিষ্ট ৰূপ লাভ কৰা ভঙ্গী বৈচিত্ৰ্যইহে পাঠকৰ হৃদয়ত

আহ্লাদ দিয়ে আৰু বিশিষ্ট অৰ্থৰ সূচনাই চমৎকাৰিত্বৰ ভাব জগাই তোলে। এনে বিশিষ্ট অৰ্থসূচক আৰু চমৎকাৰাত্মক বচনভঙ্গীয়ে বক্রোক্তি।

'ভামহৰ পদানুসৰণ কৰি কুন্তকেও স্বভাবোক্তিৰ অলঙ্কাৰতা খণ্ডন কৰিছে। তেখেতে কয় যে, যিকোনো বস্তুৰ বৰ্ণনা কৰিলেও তাৰ স্বভাব তাত অৱশ্যে থাকিব, স্বভাৱক এৰি কোনো বস্তু উপস্থিত হ'ব নোৱাৰে। সেই স্বভাৱৰ লগত অতিৰিক্ত কোনো ধৰ্মৰ যোগ নহ'লে কোনো অলঙ্কাৰ সৃষ্টি অসম্ভৱ। স্বভাবোক্তিত বৰ্ণনীয় বস্তুৰ লগত এনে কোনো ধৰ্মৰ যোগ নহয়; গতিকে ই অলঙ্কাৰ নহয়।'[১০]

কুন্তকৰ মতে কাব্যৰ আত্মা স্বৰূপ বক্রোক্তি ছয় প্ৰকাৰ—

(১) বৰ্ণবিন্যাস বক্রতা,

(২) পদপূৰ্ব্বাৰ্দ্ধ বক্রতা,

(৩) পদোতাবাৰ্দ্ধ বক্রতা বা প্ৰত্যয় বক্রতা,

(৪) বাক্য বক্রতা,

(৫) প্ৰকৰণ বক্রতা, আৰু

(৬) প্ৰবন্ধ বক্রতা।

(১) বৰ্ণবিন্যাস বক্রতা অক্ষৰ সংযোগৰ ওপৰত নিৰ্ভৰশীল। অতীৱ সুললিত, অক্ষৰসন্নিবেশ, পৰস্পৰস্পৰ্দ্ধী আৰু পাঠকৰ আহ্লাদদায়ক অক্ষৰযুক্ত ৰচনাই বৰ্ণব্যািস বক্রতা। অনুপ্ৰাস আৰু যমক অলংকাৰ বৰ্ণবিন্যাস বক্রতাৰ উৎকৃষ্ট নিদৰ্শন। যেনে—

"ললিতলৱঙ্গলতা পৰিশীলন কোমলমলয়সমীৰে।
মধুকৰনিকৰকৰম্বিত কোকিলকূজিতকুঞ্জকুটীৰে।।"

*(গীত-গোবিন্দ)*

ইয়াত প্ৰথম ফাকিত 'ল' অক্ষৰৰ আৰু দ্বিতীয় ফাকিত 'ক' আৰু 'ৰ' অক্ষৰৰ সঘন সন্নিবেশে বক্রতাৰ সৃষ্টি কৰিছে। তেনেদৰে—

"জানকী কামিনী কৌতুকে চললি লীলায়ে সখীসৱ সঙ্গে
ৰঙ্গে কৰতু কেলি মেলি আঞ্চোল ভুলাৰে।
নৱ পিউ পৰশ ৰসিক কৰু বালা মালা কৰতলে লোলে।"

*(ৰামবিজয় নাট)*

(২) প্ৰকৃতি বা মূলৰ লগত প্ৰত্যয় যোগ হৈ পদ সৃষ্টি হয়। গতিকে প্ৰকৃতি বা মূলে হৈছে পদৰ পূৰ্ব্বাৰ্দ্ধ। কাব্যত এই প্ৰকৃতি বা মূলৰ সন্নিবেশৰ বৈচিত্ৰ্যই পূৰ্ব্বাৰ্দ্ধ বক্ৰতা। ইয়াক আকৌ কেবাটাও ভাগত ভাগ কৰা হয়। যেনে—

(ক) ৰূঢ়ি বৈচিত্ৰ্য বক্ৰতা,

(খ) পৰ্যায় বক্ৰতা,

(গ) উপচাৰ বক্ৰতা,

(ঘ) বিশেষণ বক্ৰতা,

(ঙ) সম্বৃতি বক্ৰতা,

(চ) লিঙ্গ-বৈচিত্ৰ বক্ৰতা— ইত্যাদি।

(৩) সুপ্ আৰু তিঙ্ প্ৰত্যয়ৰ সন্নিবেশেৰে যেতিয়া বৰ্ণনীয় বিষয় অধিক হৃদয়গ্ৰাহী কৰি তোলা হয়, সেই প্ৰত্যয়াশ্ৰিত বক্ৰতাক পদোতাৰাৰ্দ্ধ বক্ৰতা বা প্ৰত্যয় বক্ৰতা বুলি কোৱা হয়। এই বক্ৰতাক কেবাটাও ভাগত ভাগ কৰা হয়। যেনে—

(ক) কাৰক বৈচিত্ৰ্যবিহিত,

(খ) পুৰুষবৈচিত্ৰ্যবিহিত— ইত্যাদি।

(৪) বক্ৰভাবাপন্ন পদবোৰৰ সুন্দৰ তথা কলাত্মক কৌশলেৰে সংযোজনৰ ফলত ৰচনা সুন্দৰ আৰু মনোৰম হৈ পাঠকৰ হৃদয়ত আহ্লাদ জন্মালে তেনে ৰচনাভঙ্গীকে বাক্য বক্ৰতা বোলা হয়। অৰ্থাৎ “বাক্য যিবিলাক পদৰ দ্বাৰা, যেনেভাবে গঠন কৰিলে সহৃদয় সামাজিক— হৃদয়ত অলৌকিক আহ্লাদ বা আনন্দ পৰিস্পন্দবিশেষ আধান কৰিব পাৰে কাব্যৰ সেই ভঙ্গিমাটিৰ নাম ‘বাক্য-বক্ৰতা’।”[১১]

(৫) ৰচনা বিশেষত কিছুমান পদ লগলাগি একোটা প্ৰকৰণ হয়। গদ্যৰ চনাত ই অধ্যায় আৰু নাটকত অঙ্ক। একোটা প্ৰকৰণৰ সৌন্দৰ্য নিৰ্ভৰ কৰে বাক্যবোৰৰ যথোপযুক্তভাৱে সংযোগৰ ওপৰত। প্ৰকৰণৰ এই যথোপযুক্ত মনোৰম ৰচনা কৌশলে প্ৰকৰণ বক্ৰতা।

(৬) উক্ত পাঁচপ্ৰকাৰৰ বক্ৰতাৰ সমাবেশত গ্ৰন্থ এখনত যি আহ্লাদ দায়ক, চমৎকাৰাত্মক বৈচিত্ৰ্যৰ সৃষ্টি হয় সিয়ে প্ৰবন্ধ-বক্ৰতা।

অতিশয়োক্তি ঃ

অতিশয়োক্তি বা অত্যুক্তি এবিধ অলঙ্কাৰ, যি বঢ়াই কোৱা বা ৰহণ লগোৱা কথা। প্ৰায় সকলো অলঙ্কাৰতে কম-বেছি পৰিমাণে অতিশয়োক্তি থাকে। উদাহৰণস্বৰূপে— 'চন্দ্ৰমুখ'— ই ৰূপক অলঙ্কাৰ। চন্দ্ৰ আৰু মুখ দুয়োটা পৃথক বস্তু অথচ তাক একে বুলি কোৱাটোৱে অত্যুক্তি। কবিয়ে মুখ আৰু পদুমৰ সাদৃশ্যৰ ভেটিত অভেদত্ব আৰোপ কৰি চমৎকাৰিত্ব প্ৰকাশ কৰিছে। তেনেকৈ,

"শ্যাম ৰুচিৰ তনু পীত পিচোৰা।
নবীন নীৰদ যচ বিজুৰি উজোৰা।।"

'নতুনকৈ উঠি অহা ক'লীয়া মেঘ এচপৰাত বিজুলীৰ চিকমিকনিয়ে যি শোভা কৰে কৃষ্ণগোসাঁইৰ শ্যাম তনুত হালধীয়া বসনেও তেনে শোভা বিস্তাৰ কৰিছে। ইয়াত মেঘত, বিজুলীৰ শোভা আনি শৰীৰ আৰু কাপোৰত লগোৱাটো কল্পনাৰ বিস্তাৰ, সাদৃশ্যত ৰংচৰোৱা আৰু পৰিবেশত অত্যুক্তিয়ে বুলিব লাগিব।"[১২]